স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

OL-14 ☐ NO-235 ☐ FRIDAY 1 NOVEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/D

## ‘শ্ৰেণীকোঠাৰ বাহিৰতো এখন সুন্দৰ পৃথিৱী আছে’

# কানৈ কলেজত ‘কানৈয়ান কলাকৃতি-১.০’ শীৰ্ষক প্ৰদৰ্শনী

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩১ অক্টোবৰ ঃ ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ চৌহদত মহাবিদ্যালয়ৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত ‘কানৈয়ান কলাকৃতি-১.০’ শীৰ্ষক প্ৰদৰ্শনী আৰু বিক্ৰীৰ অনুষ্ঠানৰ অন্তত ছাত্ৰ-ছাত্ৰীসকল আৱেগিক হৈ পৰে। মহাবিদ্যালয়ত অধ্যয়নৰত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এই প্ৰদৰ্শনী অনুষ্ঠানত ২২খন বিপণীত তেওঁলোকৰ নিজহাতে প্ৰস্তুত কৰা সু-স্বাদু খাদ্যৰ লগতে বিভিন্ন ধৰণৰ আ-অলংকাৰ, বাঁহ-বেতৰ সামগ্ৰী, পুতলা, বস্ত্ৰ, অংকিত চিত্ৰ প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক উত্তৰণ, উদ্যোগিক মনোভাব, প্ৰতিভা বিকাশৰ সুযোগ সৃষ্টিৰ উদ্দেশ্যে অনুষ্ঠিত প্ৰদৰ্শনীখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতা, প্ৰতিভা বিকাশ, ঔদ্যোগিক মনোভাব আৰু কঠোৰ উদ্ভাৱনী শক্তি, চিন্তা আৰু দৰ্শনক ভূয়সী প্ৰশংসা কৰে। অধ্যাপিকা ড° মনমী বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে ইমান সুন্দৰ এটা অনুষ্ঠানৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক পথ প্ৰদৰ্শন কৰি ভৱিষ্যতৰ বাবে উৎসাহিত কৰিবলৈ উৎকৃষ্ট ভেটি এটা নিৰ্মাণ কৰি দিয়াৰ বাবে অধ্যাপক-অধ্যাপিকাসকলক ধন্যবাদ জ্ঞাপন কৰে। শিক্ষাৰ্থীসকলক উদ্দেশ্যি তেওঁ কয় যে শ্ৰেণীকোঠাৰ বাহিৰতো এখন সুন্দৰ সৃষ্টিশীল পৃথিৱী আছে আৰু সেই পৃথিৱীখন নিজৰ প্ৰতিভাৰ বলেৰে চাৰিওফালে দৃষ্টি দি সেইদৰে গঢ়ি তুলিব পাৰে। শিক্ষাৰ্থীসকলে ১০ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

চন ☐ VOL-14 ☐ NO-235 ☐ FRIDAY 1 NOVEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/D

## কানৈ কলেজত 'কানৈয়ান

তেওঁলোকৰ সুপ্ত প্ৰতিভা প্ৰতিফলিত কৰি যি এক অনন্য উদাহৰণ দাঙি ধৰিলে তেনে কৰ্মৰ বাবে অধ্যক্ষগৰাকীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। লগতে তেওঁ কয় যে এই বয়সটো এক ৰোমাঞ্চকৰ সন্ধিক্ষণৰ সময়। চাৰিওফালৰ পৃথিৱীখন চাব বিচৰা ধৰণে ভৱিষ্যতটোক গঢ় দিয়াৰ সুযোগ, সুবিধা আছে। এই বয়সটোৱেই হ'ল কৌতূহল সৃষ্টি কৰাৰ বয়স। কৌতূহলী মনে যিমান প্ৰত্যাহ্বান নাহক, সেই প্ৰত্যাহ্বান নেওচি আগুৱাই যোৱাত সহায় কৰে। প্ৰদৰ্শনীত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ডিব্ৰু মহাবিদ্যালয়, ডিএইচএছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে অনুষ্ঠানটো অধিক সাফল্যমণ্ডিত কৰি তোলে। কালিৰ এই প্ৰদৰ্শনী অনুষ্ঠান মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভা, এনএছএছ গোট, এনচিচিৰ সহযোগত সফল সমাপ্তি ঘটে।

কেন্দ্ৰীয় গৃহম

আইজিপি

মহত্ত

বিষয়া-জো